জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১০০/২০২০

# নুমলীগড় শোধনাগাৰ লিমিটেডে ৰাজ্য চৰকাৰলৈ প্ৰদান কৰিলে অন্তৰ্ৱৰ্তীকালীন লভ্যাংশৰ পুঁজি

**দিছপুৰ, ২ মাৰ্চ ঃ** নুমলীগড় শোধনাগাৰ লিমিটেডৰ পৰিচালন সঞ্চালক এছ কে বৰুৱাই আজি অসম বিধান সভাৰ মুখ্যমন্ত্ৰীৰ কাৰ্যালয় কক্ষত ২০১৯-২০ বিত্তীয় বৰ্ষৰ প্ৰথম অন্তৰ্ৱৰ্তীকালীন লভ্যাংশৰ সৰ্বমুঠ ১৩৬.২৩ কোটি টকাৰ এখন চেক মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হাতত অৰ্পণ কৰে। বিত্তীয় বৰ্ষৰ ডিচেম্বৰলৈ এই লভ্যাংশ সৰ্বমুঠ ৯ মাহৰ। উল্লেখ্য যে নুমলীগড় শোধনাগাৰ লিমিটেডত ৰাজ্য চৰকাৰৰ ১২.৩৫ শতাংশ ইকুইটিৰ বিপৰীতে এই  লভ্যাংশৰ পুঁজি আগবঢ়োৱা হৈছে। ২০২০ বৰ্ষৰ ৩১ মাৰ্চত চলিত বিত্তীয় বৰ্ষৰ অন্ত পৰাৰ পিছত নুমলীগড় শোধনাগাৰ লিমিটেডৰ ব'ৰ্ডৰ মিটিঙত চূড়ান্ত লভ্যাংশৰ পুঁজি নিৰ্দ্ধাৰণ কৰা হ'ব।

আজিৰ এই লভ্যাংশৰ চেক ৰাজ্য চৰকাৰলৈ প্ৰদানৰ সময়ত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, আয়ুক্ত সচিব কে কে দ্বিবেদী আৰু নুমলীগড় শোধনাগাৰ লিমিটেডৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত আছিল।

**স্বাঃডেঃ / বঃভাঃ**
২/০৩/২০২০